**3 SEM TDC ASM M 2**

**2 0 1 8**

( November )

ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) বিহুনাম, বিয়ানাম, আইনাম আদি কোন শ্ৰেণীৰ লোকসাহিত্য ?

(খ) 'নাম-ঘোষা'ৰ আন এটা নাম কি ?

(গ) 'কপাহৰ জুনা' কোন শ্ৰেণীৰ গীত ?

(ঘ) শংকৰদেৱে মাধৱ কন্দলীক কি কবি আখ্যা দিছিল ?

(ঙ) 'প্ৰতিমা'ৰ কবি কোন ?

(চ) নীলমণি ফুকনৰ এখন কবিতা সংকলনৰ নাম লিখাঁ।

(ছ) 'কবিতাৰ দেহ বিচাৰ' গ্ৰন্থখনৰ ৰচক কোন?

(জ) 'যাজ্ঞসেনী'ৰ আন এটা নাম কি?

২। (ক) অসমীয়া কবিতাৰ বিকাশৰ আঁত ধৰি জোনাকী যুগৰ কবিতাৰ বিষয়ে এটি আলচ যুগুত কৰাঁ। ১৫

অথবা

(খ) অসমীয়া কবিতাৰ ইতিহাসত লোক-কবিতাৰ স্থান সম্পৰ্কে এটি টোকা যুগুত কৰাঁ।

৩। (ক) আখ্যানমূলক গীত সম্পৰ্কে চমু পৰিচয় দাঙি ধৰি তোমাৰ পাঠ্যৰ 'ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত' শীৰ্ষক কবিতাটোৰ কথাখিনি নিজা ভাষাৰে লিখাঁ। ৭+৭=১৪

অথবা

(খ) কবিৰ পৰিচয় আগবঢ়াই 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ পাঠ্যাংশৰ বিষয়বস্তুৰ আভাস দাঙি ধৰাঁ। ১৪

৪। (ক) মাধৱ কন্দলীৰ কাব্য-কৃতি সম্পৰ্কে চমু পৰিচয় দাঙি ধৰি 'হনুমানৰ লংকা দৰ্শন' কাব্যখণ্ডৰ কাব্যিক সৌন্দৰ্যৰ বিষয়ে বিৱৰি লিখাঁ। ৬+৮=১৪

অথবা

(খ) পীতাম্বৰ কবিৰ চমু পৰিচয় আগবঢ়াই তোমাৰ পাঠ্যৰ অন্তৰ্গত 'ঊষা পৰিণয়' কাব্যখণ্ডৰ কথাভাগ নিজৰ ভাষাৰে লিখাঁ। ৭+৭=১৪

৫। (ক) বেলাড বা মালিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ‘তেজীমলা’ কবিতাটোক এটা সাৰ্থক মালিতা বুলিব পাৰিনে, আলোচনা আগবঢ়োৱাঁ। ৭+৮=১৫

*অথবা*

(খ) ‘পৰম তৃষ্ণা’ কবিতাটোত অতীন্দ্ৰিয়বাদী ভাব আৰু প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য কিদৰে প্ৰকাশ ঘটিছে, আলোচনা কৰাঁ। ৫+১০=১৫

৬। (ক) ‘মুঠি মুঠিকৈ কাটি তোৰ ঢেকীয়াৰ আঙুলি’ শীৰ্ষক কবিতাটোত প্ৰকাশ পোৱা আধুনিক কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) ‘চুলি নাবান্ধিবা যাজ্ঞসেনী’ কবিতাটোত নাৰী মুক্তিৰ চেতনা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

★★★